



বুকাৰ পুৰস্কাৰ আৰু ভাৰতবাসীৰ প্ৰত্যাশা

সন্মান | জিতুমণি পাঠক

কবিগুৰু ৰবীন্দ্ৰনাথে 'গীতাঞ্জলি'ৰ জৰিয়তে ভাৰতলৈ প্ৰথমবাৰ নবেল বঁটা কঢ়িয়াই অনাৰ পিছত সকলোৰে মনত ভাব হৈছিল যেন এতিয়াৰেপৰা সাহিত্যৰ নবেল ভাৰতলৈ অহাৰ পথত প্ৰশস্ত হৈ পৰিল। কিন্তু ভাৰতবাসীৰ সেই প্ৰত্যাশাক পূৰণ কৰিবলৈ আজিকোপতি দ্বিতীয় এগৰাকী ভাৰতীয় সাহিত্যিক সক্ষম নহ'ল। সেয়েহে সাহিত্যৰ দ্বিতীয়টি নবেল ভাৰতবাসীৰ বাবে এতিয়াও এক অপূৰণ স্বপ্ন হৈয়েই ৰৈছে। অৱশ্যে এনে এক নিৰাশাজনক পৰিৱেশৰ মাজতো ভাৰতবাসীৰ বাবে সুখৰ খবৰটো হ'ল যে সাহিত্যৰ নবেলৰ সমপৰ্যায়ৰ বুলি গণ্য কৰা 'মেন বুকাৰ প্ৰাইজ'ত ভাৰতীয় বা ভাৰতীয় বংশোদ্ভৱ সাহিত্যিকৰ আধিপত্য। ভাৰতীয় বংশোদ্ভৱ সাহিত্যিক ছলমান ৰুশ্বডিয়ে 'মিডনাইট চিল্ড্ৰেন'ৰ জৰিয়তে বুকাৰলৈ খোজ দিয়াৰ পথ প্ৰথমবাৰলৈ মুকলি কৰি দিছিল। নবেলৰ দৰে অৱশ্যে 'মেন বুকাৰ প্ৰাইজ'ৰ ক্ষেত্ৰত ভাৰতীয় বা ভাৰতীয় বংশোদ্ভৱ সাহিত্যিকসকলে ভাৰতবাসীৰ প্ৰত্যাশাক নিৰাশাজনক স্থিতিলৈ ঠেলি দিয়া নাই। ছলমান ৰুশ্বডিৰ পিছতে ভাৰতবৰ্ষৰ সাম্প্ৰতিক সময়ৰ এগৰাকী শক্তিশালী লেখিকা অৰুন্ধতী ৰয়ে তেওঁৰ উপন্যাস 'গড অৱ্ স্মল থিংছ'ৰ জৰিয়তে ভাৰতবাসীক দ্বিতীয়বাৰৰ বাবে বুকাৰৰ সোৱাদ দিলে। ইয়াৰ মাজতে সু-লেখিকা অনিতা দেশায়ে তিনিবাৰকৈ বুকাৰ পুৰস্কাৰৰ বাবে 'ছৰ্ট লিষ্টেড' হোৱাৰ পিছতো কিন্তু তেওঁৰ সৌভাগ্যৰ দ্বাৰ মুকলি নহ'ল। ই কেৱল অনিতা দেশাইকে যে আশাহত কৰিছিল তেনে নহয়, সমগ্ৰ দেশবাসীৰেই ইয়াৰ বাবে মনত এক দুখ বোধৰ সৃষ্টি হৈছিল। কিন্তু এই দুঃখবোৰক তাৎক্ষণিকভাৱে সুখলৈ পৰিৱৰ্তন কৰিছিল তেওঁৰেই সুপুত্ৰী কিৰণ দেশায়ে। কিৰণ দেশায়ে তেওঁৰ দ্বিতীয়খন উপন্যাস 'ইনহেৰিটেন্স অৱ্ লছ'ৰ মাধ্যমেৰে মাকৰ আধৰুৱা স্বপ্নক সাকাৰ ৰূপ দিছিল আৰু লগতে ভাৰতবাসীক দিছিল তৃতীয়টি বুকাৰৰ সোৱাদ। বুকাৰ লাভৰ তালিকাত শেষবাৰলৈ সন্নিবিষ্ট হোৱা ভাৰতীয় লেখকগৰাকী হ'ল— অৰবিন্দ আডিগা। ২০০৮ চনত আডিগাৰ 'হোৱাইট টাইগাৰ'-এ শেষবাৰলৈ ভাৰতলৈ আনিছিল বুকাৰ পুৰস্কাৰ। অৱশ্যে ইয়াতেই শেষ হৈ যোৱা নাছিল ভাৰতীয় সাহিত্যিকৰ বুকাৰৰ দৌৰ। মাথোঁ যোৱাটি বছৰত এই পুৰস্কাৰ প্ৰাপ্তিৰ দৌৰৰ লং লিষ্টত অন্তৰ্ভুক্ত হৈছিল জিৎ থেইল নামৰ আন এগৰাকী ভাৰতীয়ৰ নাম। থেইলে প্ৰথমখন উপন্যাস 'নাৰ্ক'পলিছ'ৰ জৰিয়তেই এনে এক অভাৱনীয় সৌভাগ্যৰ অধিকাৰী হোৱাত পুনৰবাৰ ভাৰতবাসীৰ মনত সৃষ্টি হৈছিল প্ৰত্যাশাৰ লহৰ। বুকাৰৰ লং লিষ্টত অন্তৰ্ভুক্ত হোৱাৰ আগলৈকে জিৎ থেইল আছিল প্ৰায় সৰহসংখ্যক ভাৰতবাসীৰ বাবে এক অপৰিচিত নাম। কিন্তু বুকাৰৰ লং লিষ্টৰ অন্তৰ্ভুক্তিয়েই থেইলক মুহূৰ্ততে এগৰাকী চেলেব্ৰিটি লিখকলৈ পৰিণত কৰিছিল। অৱশ্যে যোৱাবছৰ ভাৰতবাসীৰ এই স্বপ্নৰ দৌৰ লং লিষ্টতেই পৰিসমাপ্তি ঘটিছিল। ইয়াৰ পিছত দেশবাসী একেবাৰে আশাহত নহ'লেও অন্ততঃ ভাৱিছিল যে পুনৰ এটি বুকাৰ পুৰস্কাৰৰ বাবে তেওঁলোকে হয়তো আৰু কিছু বছৰ অপেক্ষা কৰিব লাগিব। কিন্তু সেই সম্ভাৱনাক নাকচ কৰি পুনৰবাৰ ভাৰতবাসীৰ প্ৰত্যাশাক সজীৱ কৰি তুলিলে বুকাৰৰ সদ্যপ্ৰকাশিত ছৰ্ট লিষ্টত অন্তৰ্ভুক্ত হোৱা এগৰাকী ভাৰতীয় বংশোদ্ভৱ লেখিকাই। এই গৰাকী লেখিকা জিৎ থেইলৰ দৰে ভাৰতবাসীৰ বাবে অল্পখ্যাত নাম নহয়, কিয়নো বুকাৰ ছৰ্ট লিষ্টত অন্তৰ্ভুক্ত হোৱাৰ পূৰ্বেই তেওঁ নিজৰ জোলোঙাত সুমুৱাই থৈছে পুলিৎজাৰৰ দৰে সন্মানীয় সাহিত্য বঁটা। লেখিকাগৰাকীৰ পোছাকী নামটো হ'ল নীলাঞ্জনা সুদেষ্ণা লাহিড়ী। কিন্তু বিশ্বৰ গ্ৰন্থৰসিক পাঠকৰ ওচৰত তেওঁ পৰিচিত ঘৰত মতা নামটিৰেই— ঝুম্পা, ঝুম্পা লাহিড়ী।

ঝুম্পা লাহিড়ীৰ জীৱনৰ সৈতে জড়িত হৈ আছে তিনিখন ভিন্ন দেশৰ বৰ্ণিল স্মৃতি। পশ্চিমবংগৰপৰা লণ্ডনলৈ প্ৰব্ৰজন কৰা এটি বঙালী পৰিয়ালত জন্মগ্ৰহণ কৰিছিল ঝুম্পাই। জন্ম যদিও লণ্ডনত, তথাপি ভাৰতীয়ত্বৰ নিৰ্যাস অনবৰতে বৈ থকা এই পৰিয়ালটিত শৈশৱতে ঝুম্পাই পৰিচিত হৈছিল ভাৰতীয় সভ্যতা-সংস্কৃতিৰ সৈতে। পৰৱৰ্তী সময়ত এই পৰিয়ালটি স্থায়ীভাৱে বসবাস কৰিবলৈ লয় আমেৰিকাত। ভিন্ন তাগিদাত নিজ দেশৰপৰা বিচ্ছিন্ন হৈ পৰিলেও ঝুম্পাৰ মাতৃয়ে বিচাৰিছিল তেওঁলোকৰ সন্তান যেন মূলৰ সৈতে সংপৃক্ত হৈ ৰওক। সেয়েহে কলকাতাত থকা আত্মীয়সকলৰ সৈতে তেওঁলোকৰ সঘনাই আহ-যাহ ঘটিছিল আৰু ইয়েই ঝুম্পাৰ জীৱনত গঢ় দি তুলিছিল সাহিত্যসৃষ্টিৰ বুনিয়াদ। ঝুম্পাৰ প্ৰতিখন গ্ৰন্থতে সেয়েহে আমি দেখিবলৈ পাওঁ ভাৰত তথা ভাৰতীয়লোকৰ জীৱনযাত্ৰাৰ ভিন্ন অনুৰণন।

জীৱনৰ প্ৰথমখন গ্ৰন্থকলৈ ঝুম্পা লাহিড়ীৰ অভিজ্ঞতা আছিল যথেষ্ট তিক্ততাপূৰ্ণ। কেইবাবাৰো প্ৰত্যাখ্যান হ'ব লগাত পৰিছিল তেওঁ প্ৰকাশৰ ওচৰত। এগৰাকী নবীন লেখিকাৰ প্ৰত্যাহ্বানপূৰ্ণ লেখাকলৈ পৰীক্ষা-নিৰীক্ষা কৰাৰ সাহস গোটাব পৰা নাছিল বহুতো নামী-দামী প্ৰকাশন গোষ্ঠীয়ে। সি যি কি নহওক, অৱশেষত ১৯৯৯ চনত প্ৰকাশৰ মুখ দেখিলে ঝুম্পা লাহিড়ীৰ প্ৰথমখন গ্ৰন্থ 'ইণ্টাৰপ্ৰিটাৰ অৱ মেলাডিজ'-এ (Interpreter of Maladies)। ২০০০ চনত এইখন গ্ৰন্থই পুলিৎজাৰ বঁটাৰ কাহিনী শিতানত বঁটা লাভ কৰাৰ লগে লগে ঝুম্পা লাহিড়ী এগৰাকী চেলিব্ৰিটি লিখকলৈ পৰিণত হ'ল। আমেৰিকাত এই গ্ৰন্থই সমালোচকৰ প্ৰশংসা লাভ কৰাৰ বিপৰীতে ভাৰতত ই লাভ কৰিলে মিশ্ৰিত প্ৰতিক্ৰিয়া। অৱশ্যে ইয়াৰ পিছতো সকলোৱে একমুখে স্বীকাৰ কৰিলে লেখিকাৰ বৰ্ণনশৈলীৰ দক্ষতাক তথা বিষয়বস্তুৰ গভীৰতাক। প্ৰথমখন গ্ৰন্থকলৈ সৃষ্টি হোৱা কণ্টাকীৰ্ণ পথ যেন লাহে মসৃণ হৈ পৰিল। তাৰেই সাহসত ২০০৩ চনত প্ৰকাশ পালে তেওঁৰ দ্বিতীয়খন গ্ৰন্থ 'নেইমছেক্' (The Namesake)। এইখন গ্ৰন্থকে আধাৰ কৰি যশস্বী পৰিচালিকা মীৰা নায়াৰে একে নামেৰে এখন জনপ্ৰিয় ছবি পৰিচালনা কৰি উলিয়ায়। কলকাতাৰ এটি বঙালী পৰিয়ালৰ আমেৰিকালৈ প্ৰব্ৰজন হোৱাৰ পিছত তেওঁলোকৰ জীৱনত ঘটা বিভিন্ন ঘটনাক্ৰমক লৈয়েই উপন্যাসৰ কাহিনীভাগ ৰচিত হৈছিল। উল্লেখনীয় যে মীৰা নায়াৰৰ ছবিখনত ঝুম্পা লাহিড়ীয়ে 'আণ্ট ঝুম্পা' নামৰ এটি খুবেই সৰু চৰিত্ৰত নিজেও ভুমুকি মাৰিছিল। লাহিড়ীৰ তৃতীয়খন গ্ৰন্থ 'আনএকাষ্টম্ড আৰ্থ (Unaccustomed Earth)-এ পাঠক সমাজৰ পৰা লাভ কৰিছিল একেই সঁহাৰি। পাঠকৰ অভূতপূৰ্ব সহঁাৰিৰ বাবেই এই গ্ৰন্থখনে 'নিউইয়ৰ্ক টাইমছ বেষ্ট ছেলাৰ লিষ্ট'-ত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।



এই গৰাকী লেখিকা জিৎ থেইলৰ দৰে ভাৰতবাসীৰ বাবে অল্পখ্যাত নাম নহয়। লেখিকাগৰাকীৰ পোছাকী নামটো হ'ল নীলাঞ্জনা সুদেষ্ণা লাহিড়ী। কিন্তু বিশ্বৰ গ্ৰন্থৰসিক পাঠকৰ ওচৰত তেওঁ পৰিচিত ঘৰত মতা নামটিৰেই— ঝুম্পা, ঝুম্পা লাহিড়ী

'ইণ্টাৰপ্ৰিটাৰ অৱ্ মেলাডিজ'-এৰে আৰম্ভ কৰা যাত্ৰাৰ পিছত ঝুম্পা লাহিড়ীৰ প্ৰতিখন গ্ৰন্থই সদায়ে বাতৰিৰ শিৰোনামা দখল কৰি আহিছে। অৱশ্যে ইয়াৰ বাবে তেওঁ অযথা বিতৰ্কৰ সূচনা কৰা জাতীয় অৰ্থহীন কামত কেতিয়াও নিজকে লিপ্ত কৰা নাই। লিখনশৈলীৰ দীপ্ততা, বিষয়বস্তুৰ গভীৰতা তথা তেওঁৰ বিশ্লেষাত্মক চিন্তাই হৈছে তেওঁৰ সাফল্যৰ চাবি-কাঠী। শেহতীয়াভাৱে তেওঁৰ 'ল'লেণ্ড'-এ একেবোৰ কাৰণতেই পুনৰ লাভ কৰিছে বাতৰিৰ শিৰোনামা। যোৱা ১১ ছেপ্টেম্বৰত বুকাৰ পেনেলে ছৰ্ট লিষ্টেত কৰা উপন্যাসবোৰৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে ঝুম্পা লাহিড়ীৰ 'ল'লেণ্ড'। অপেক্ষা এতিয়া ১৫ অক্টোবৰলৈ। কিয়নো সিদিনাখনেই লণ্ডনৰ গীল্ড হলত ঘোষণা কৰা হ'ব চূড়ান্ত বিজয়ীগৰাকীৰ নাম। ঝুম্পা লাহিড়ীৰ অন্তৰ্ভুক্তিয়ে ভাৰতীয়সকলৰ মনত পুনৰ এক প্ৰত্যাশাৰ সৃষ্টি কৰিছে। যোৱা বছৰ জিৎ থেইলে সেই প্ৰত্যাশা পূৰণত ব্যৰ্থ হ'ল যদিও ঝুম্পা লাহিড়ীৰ শক্তিশালীৰ স্থিতিৰ বাবে যেন এইবাৰ ভাৰতবাসীৰ প্ৰত্যাশা দুগুণে বৃদ্ধি পাইছে। অহা ১৬ অক্টোবৰতহে জানিব পৰা যাব যে ভাৰতবাসীৰ সেই প্ৰত্যাশা পূৰণ কৰাত ঝুম্পা লাহিড়ী কিমানদূৰ সফল কাম হয়। ■